জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২৭/২০২১**

# সাংবাদিক ৰুবুল দিহিঙ্গীয়াৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৭ মে’ ঃ** সাংবাদিক ৰুবুল দিহিঙ্গীয়াৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰয়াত সাংবাদিক ৰুবুল দিহিঙ্গীয়াৰ অকাল বিয়োগ ৰাজ্যখনৰ সংবাদ জগতৰ বাবে এক অপূৰণীয় ক্ষতি। ৰাজ্যখনৰ এক প্ৰতিষ্ঠিত সংবাদ গোষ্ঠী নিউজ লাইভৰ বোকাজানৰ স্থানীয় সাংবাদিক হিচাপে প্ৰয়াত ৰুবুল দিহিঙ্গীয়াই বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন বা-বাতৰি দায়বদ্ধ আৰু নিষ্ঠাৰে পৰিৱেশন কৰি আমাৰ সংবাদ জগতলৈ বিশিষ্ট অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী যুৱ সাংবাদিকৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবেও অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ৰুবুল দিহিঙ্গীয়াৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ**
**১৭/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in